অসম

ৰৌতা পৌৰসভা ভংগৰ দাবীত অৱস্থান ধর্মঘট

ৰৌতা গ্ৰাম্য সুৰক্ষা সমিতিয়ে পৌৰসভাখন ভংগৰ দাবীত বৃহৎ অৱস্থান ধর্মঘট পালন কৰিছে। উচ্চতম ন্যায়ালয়ত গোচৰ ৰুজু কৰাৰ কথাও জনাইছে সমিতিখনে।

প্ৰকাশ: ১৩ নৱেম্বৰ ২০২৬, আবেলি ৫:৪২



ৰৌতা: পৌৰসভাখন ভংগৰ দাবীত ৰৌতা গ্ৰাম্য সুৰক্ষা সমিতিয়ে বৃহৎ অৱস্থান ধর্মঘট কার্যসূচী ৰূপায়ণ কৰিছে। বিগত তিনিমাহ পূৰ্বে গঠন হোৱা পৌৰসভাখন ভংগ কৰাৰ দাবীৰে সমিতিখনে প্ৰতিবাদ সাব্যস্ত কৰে।

সমিতিখনৰ অভিযোগ, ৰৌতাৰ সাধাৰণ ৰাইজৰ অজ্ঞাতে একাংশ মুষ্টিমেয় লোকে পৌৰসভাখন গঠন কৰিছে। পৌৰসভাৰ অন্তর্ভুক্ত কৰা হৈছে হাজাৰ হাজাৰ বিঘা কৃষিভূমি বুলিও প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে।

অঞ্চলটোৰ আর্থিক উন্নয়ন নকৰাকৈয়ে সাধাৰণ খেতিয়ক ৰাইজৰ ওপৰত পৌৰসভাৰ কৰ-কাটলৰ বোজা জাপি দিয়াৰ চেষ্টা চলিছে বুলি সমিতিখনে দাবী কৰিছে। সেয়েহে অতিশীঘ্ৰে পৌৰসভাখন ভংগ কৰিবলৈ তেওঁলোকে দাবী জনায়।

পৌৰসভাখন ভংগৰ দাবীত ইতিমধ্যে উচ্চতম ন্যায়ালয়ত গোচৰ ৰুজু কৰা হৈছে বুলি ৰৌতা গ্ৰাম্য সুৰক্ষা সমিতিয়ে জনাইছে। যিকোনো স্বার্থৰ বিনিময়ত হ'লেও পৌৰসভাখন ভংগ কৰাৰ হুংকাৰ দিয়ে সমিতিখনে।

© 2026 NewzNow

ৰাইজৰ প্ৰতিবাদৰ ভাষা বুজিবলৈ চৰকাৰক আহ্বান জনাই সমিতিখনে কয় যে, অন্যথা আগন্তুক ৰৌতা পৰিষদীয় সমষ্টিৰ উপ-নিৰ্বাচনত শাসকীয় পক্ষই ৰাজনৈতিক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2778/outa-pousva-vngg-ptibad